# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-10-2023
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থান আৰু মধ্যপ্ৰদেশত কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। চৰকাৰে উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ বাবে ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰৰ ৰাজসাহায্য ১০০ টকা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। ছিকিমত ডাৱৰ বিস্ফোৰণৰ বাবে সৃষ্টি হোৱা আকস্মিক বানৰ ফলত ৫ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে ৫৯ জন লোক সন্ধানহীন হৈ আছে।

৪। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি পুৰুষৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব।

*আৰু*

৫। ভাৰতে কালি চীনত অনুষ্ঠিত এছিয়ান গেমছৰ একাদশ দিনা ৩টা সোণ, ৫টা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ১২টা পদক অৰ্জন কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ যোধপুৰত পথ, ৰে'ল, বিমান পৰিবহণ, স্বাস্থ্য আৰু উচ্চ শিক্ষাৰ লেখীয়া ক্ষেত্ৰৰ প্ৰায় ৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো ভাষণ দিব। প্ৰধানমন্ত্ৰীয়ে যোধপুৰৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছৰ ৩৫০ খন বিছনাযুক্ত ট্ৰমাকেন্দ্ৰ আৰু জটিল পৰিচৰ্যা চিকিৎসা খণ্ড আৰু প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত বিকশাই তুলিবলগীয়া ৭টা জটিল পৰিচৰ্যা খণ্ডৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এহেজাৰ ১৩৫ কোটিৰো অধিক টকাৰে নিৰ্মাণ কৰি উলিওৱা আই আই টি যোধপুৰৰ অত্যাধুনিক চৌহদ ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। ৰাজস্থান কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীয়ে কেন্দ্ৰীয় যন্ত্ৰীকৰণ পৰীক্ষাগাৰ, কৰ্মচাৰীৰ কোৱাৰ্টাৰ আৰু যোগ তথা ক্ৰীড়া বিজ্ঞান ভৱন ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি মধ্যপ্ৰদেশৰ জবলপুৰত ১২ হাজাৰ ৬০০ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে আনকেইটামানৰ আধাৰশিলা স্থাপন কৰিব। এনে প্ৰকল্পসমূহৰ ভিতৰত ৰে'লপথ, স্থলপথ, গেছ পাইপ লাইন, বাসগৃহ আৰু খোৱাপানীৰ সৈতে জড়িত ভালেমান প্ৰকল্প আছে। ৰাজ্যখনৰ ইন্দোৰত ৰূপায়ণ কৰিবলগীয়া লঘু গৃহ

প্ৰকল্পই প্ৰধানমন্ত্ৰীৰ সকলোৰে বাবে বাসগৃহৰ লক্ষ্য পূৰণৰ দিশত শক্তিশালী বৰঙণি আগবঢ়াব বুলি আশা কৰা হৈছে। **প্ৰধানমন্ত্ৰী আবাস যোজনা, নগৰীয়া**ৰ অধীনত প্ৰায় ১২৮ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰিবলগীয়া এই আঁচনিয়ে ১ হাজাৰতকৈও অধিক সংখ্যক উপভোক্তা পৰিয়ালক উপকৃত কৰিব।

০০০০

চৰকাৰে উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ বাবে ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰৰ ৰাজসাহায্য ১০০ টকা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। নতুন দিল্লীত কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে কয় যে, কেন্দ্ৰীয় কেবিনেটে প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ বাবে ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰৰ ৰাজসাহায্য বৰ্তমানৰ ২০০ টকাৰ পৰা ৩০০ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কেবিনেটে লগতে তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশৰ মাজৰ বিবাদ নিষ্পত্তিৰ বাবে ১৯৫৬ চনৰ আন্তৰাজ্যিক নদী জল বিবাদ আইনৰ অধীনত দ্বিতীয় কৃষ্ণা জলবিবাদ ন্যায়াধীকৰণৰ প্ৰসংগত চৰ্তত অনুমোদন জনাইছে বুলি শ্ৰীঠাকুৰে প্ৰকাশ কৰে। তেওঁ কয় যে, এই বিবাদ নিস্পত্তিৰ ফলত দুয়োখন ৰাজ্যৰ বাবে বিকাশৰ নতুন দ্বাৰ মুকলি হ'ব। তেওঁ লগতে কয় যে, চৰকাৰে তেলেংগানাত চম্মক্কা চৰক্কা জনজাতীয় বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্যে ২০০৯ চনৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আইনৰ সংশোধনৰ প্ৰস্তাৱত অনুমোদন দিছে। ৮৮৯ কোটিৰো অধিক টকা ব্যয়েৰে মুলুগু জিলাত এই বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। নতুন বিশ্ববিদ্যালয়খনে কেৱল ৰাজ্যখনৰ উচ্চ শিক্ষাৰ প্ৰসাৰ আৰু গুণগত মান উন্নত কৰাই নহয় বৰং ৰাজ্যখনৰ জনজাতীয় সম্প্ৰদায়ৰ হিতাৰ্থে জনজাতীয় কলা সংস্কৃতি তথা পৰম্পৰাগত জ্ঞান প্ৰণালীৰ বিষয়ে গৱেষণাৰ সুবিধা প্ৰদান কৰিব। কেন্দ্ৰীয় কেবিনেটে লগতে আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ বাবে ৰায়তি স্বত্ব নিয়ন্ত্ৰণ, ২০২৩, দাদৰা আৰু নগৰ হাভেলী তথা দমন আৰু ডিউ ৰায়তি স্বত্ব নিয়ন্ত্ৰণ ২০২৩ আৰু লাক্ষাদ্বীপ ৰায়তি স্বত্ব নিয়ন্ত্ৰণ, ২০২৩ সন্দৰ্ভত অধ্যাদেশ জাৰিৰ প্ৰস্তাৱতো অনুমোদন দিছে। এই অধ্যাদেশৰ ফলত কেন্দ্ৰীয় শাসিত অঞ্চল আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, দাদৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউত স্বত্তাধিকাৰী আৰু ভাড়াতীয়া উভয়ৰে হিত আৰু অধিকাৰ সন্তুলিত কৰি জবাবদিহি আৰু স্বচ্ছ ব্যৱস্থাৰ বাবে আইনী পৰিকাঠামো প্ৰৱৰ্তন কৰিব পৰা যাব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে জনায় যে, অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেবিনেট বিহাৰ আৰু ঝাৰখণ্ডৰ উত্তৰ ক'য়ল জলাশয়ৰ বাকী কাৰ্য প্ৰায় দুহেজাৰ ৪৩১ কোটি টকাৰ সংশোধিত ব্যয়ৰে সম্পূৰ্ণ কৰাৰ জলশক্তি মন্ত্ৰ্যালয়ৰ প্ৰস্তাৱত অনুমোদন দিছে। জলাশয়টোৰ বাকী কাম পৰৱৰ্তী ৩০ মাহৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰী ঠাকুৰে কয় যে, হালধিৰ বিষয়ে সজাগতা আৰু সামগ্ৰীবিধৰ ব্যৱহাৰ তথা ৰপ্তানি বৃদ্ধিৰ উদ্দেশ্যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নতুন বজাৰ বিকশাই তোলাৰ বাবে ৰাষ্ট্ৰীয় হালধি পৰিষদ গঠনৰ বিষয়ে অধিসূচিত কৰিছে। ৰাষ্ট্ৰীয় হালধি পৰিষদে হালধি সম্পৰ্কীয় বিষয়ত অগ্ৰণী ভূমিকা পালন কৰিব আৰু হালধি ক্ষেত্ৰৰ বিকাশ আৰু বৃদ্ধিৰ হকে মচলা পৰিষদ আৰু অন্য চৰকাৰী সংস্থাৰ সৈতে অধিক সমন্বয়ৰে কাম কৰিব। চৰকাৰে ২০৩০ চনৰ ভিতৰত হালধিৰ ৰপ্তানি বৰ্তমানৰ এহেজাৰ ৬০০ কোটি টকাৰ পৰা ১ বিলিয়ন আমেৰিকান ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰিছে বুলি শ্ৰী ঠাকুৰে প্ৰকাশ কৰে।

০০০০

ছিকিমৰ মংগনত ডাৱৰ বিস্ফোৰণৰ বাবে সৃষ্টি হোৱা তিষ্টা নৈৰ আকস্মিক বানত ৫ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে ২৩ গৰাকী সেনাজোৱানসহ মুঠ ৫৯ জন লোক সন্ধানহীন হৈ আছে। আকাশবাণীৰ সৈতে

হোৱা কথা-বতৰাত ৰাজ্যখনৰ মুখ্য সচিব বিজয়ভূষণ পাঠকে কয় যে, উদ্ধাৰ আৰু সাহায্য অভিযানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙৰ সৈতে কথা পাতে আৰু গ্লেছিয়েল হ্ৰদৰ জলস্তৰ অকস্মাত বৃদ্ধি পোৱাৰ বাবে ৰাজ্যখনৰ বিভিন্ন অংশত সৃষ্টি হোৱা বানৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ বুজ লয়। প্ৰধানমন্ত্ৰীয়ে মুখ্যমন্ত্ৰী তামাঙক যথাসম্ভৱ সকলো ধৰণৰ সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে আৰু প্ৰভাৱিত লোকসকলৰ নিৰাপত্তা আৰু কল্যাণৰ হ'কে প্ৰাৰ্থনা জনায়। ইপিনে, ভাৰতীয় সেনাই সন্ধানহীন হৈ থকা ২৩ গৰাকী সৈনিকক বিচাৰি অভিযান অব্যাহত ৰাখিছে।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ২০২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় ক্ৰীড়া পুৰস্কাৰৰ বাবে আৱেদন বিচাৰিছে। পুৰস্কাৰৰ বাবে যোগ্য খেলুৱৈ, প্ৰশিক্ষক, প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয়সমূহে ২ নৱেম্বৰৰ ভিতৰত dbtyas-sports.gov.in প'ৰ্টেলত আৱেদন দাখিল কৰিব লাগিব। অন্তিম তাৰিখৰ পাছৰ আৱেদনসমূহ বিবেচনা কৰা নহ'ব। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে প্ৰতিবছৰে ক্ৰীড়া বঁটাৰ বাবে আৱেদন বিচাৰে। ২০২৩ বৰ্ষৰ এই ক্ৰীড়া বঁটাসমূহৰ বাবে আৱেদন বিচাৰি জাৰি কৰা অধিসূচনা ইতিমধ্যে www.yas.nic.in ৱেবছাইটত আপলোড কৰা হৈছে।

০০০০

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি পুৰুষৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব। নিউজিলেণ্ড আৰু ইংলেণ্ডৰ মাজৰ এই উদ্বোধনী খেলখনৰ বাবে নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আৰু আহমেদাবাদৰ অন্য অংশত প্ৰায় ৩ হাজাৰ ৫০০ গৰাকী আৰক্ষী কৰ্মী নিয়োগ কৰা হ'ব। আমাৰ সংবাদদাতাই জনাইছে যে, এইবাৰৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আহমেদাবাদত ১৪ অক্টোবৰৰ ভাৰত-পাকিস্তানৰ খেলসহ মুঠ ৫ খন খেল অনুষ্ঠিত হ'ব। আহমেদাবাদতে অহা ১৯ নৱেম্বৰত বিশ্বকাপ ক্ৰিকেটৰ ফাইনেল খেলখন খেলোৱা হ'ব।

০০০০

ভাৰতে কালি চীনত অনুষ্ঠিত এছিয়ান গেমছৰ একাদশ দিনা ৩টা সোণ, ৫টা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ১২টা পদক অৰ্জন কৰে। ইয়াকে লৈ ভাৰতে বৰ্তমানলৈকে ১৮টা সোণ, ৩১টা ৰূপ আৰু ৩২টা ব্ৰঞ্জসহ মুঠ ৮১টা পদকেৰে প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্থ স্থানত আছে। এছিয়ান গেমছৰ ইতিহাসত এয়া বৰ্তমানলৈকে ভাৰতৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন। প্ৰতিযোগিতাৰ একাদশ দিনা কালি নীৰজ চোপ্ৰাই পুৰুষৰ জেভলিন থ্ৰ'ত সোণৰ পদক অৰ্জন কৰে। এই শিতানত সতীৰ্থ খেলুৱৈ কিশোৰ জেনাই ৰূপৰ পদক হস্তগত কৰে। একেদৰে জ্যোতি সুৰেখা ৱেন্নম আৰু অ'জাছ দেওতোলেই আৰ্চাৰীৰ মিক্সড শাখাৰ দলীয় শিতানত দেশৰ হকে সোণৰ পদক লাভ কৰে। ইয়াৰ বিপৰীতে হৰমিলন বেইনছে মহিলাৰ ৮০০ মিটাৰ, অৱিনাশ ছাবলেই পুৰুষৰ ৫০০ মিটাৰ দৌৰ আৰু লাভলীনা বৰগোহাঁয়ে মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাত ৰূপৰ পদক লাভ কৰে। পৰবীন হুডাই মহিলাৰ বক্সিঙৰ ৫৭ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে অভয় সিং আৰু অনাহাত সিঙে স্কোৱাছত আৰু ৰামবাবু আৰু মঞ্জুৰাণীয়ে ৩৫ কিলোমিটাৰ বেগাই খোজকঢ়া প্ৰতিযোগিতাৰ মিক্সড শিতানত ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰ বিপৰীতে সুনীল কুমাৰে পুৰুষৰ মল্লযুদ্ধৰ ৮৭ কিলোগ্ৰাম ওজন শাখাৰ গ্ৰীকো ৰ'মান শিতানত ব্ৰঞ্জৰ পদক হস্তগত কৰে। প্ৰতিযোগিতাত

আজি ভাৰতীয় খেলুৱৈসকলে বিভিন্ন শিতানত পদক জয়ৰ যুঁজত অৱতীৰ্ণ হ'ব। ইয়াৰে ভিতৰত পুৰুষৰ মাৰাথন দৌৰৰ ফাইনেল, জু-জিটছু, ৰ'লাৰ স্কেটিং আৰু মল্লযুদ্ধ অন্যতম।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছত ভাৰতীয় খেলুৱৈসকলৰ উৎকৃষ্ট প্ৰদৰ্শন সন্দৰ্ভত সন্তুষ্টি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত তেওঁ পুৰুষৰ ফ'ৰ ইনটু ফ'ৰ হাণ্ড্ৰেড ৰিলে দৌৰ প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰা মহম্মদ আনাছ য়াহিয়া, অমোজ জেকৱ, মহম্মদ আজমল আৰু ৰাজেশ ৰমেশক অভিনন্দন জনায়। তেওঁ জেভলিন থ্ৰ'ত সোণৰ পদক লাভ কৰাৰ বাবে নীৰজ চোপ্ৰাকো অভিনন্দন জনায়। শ্ৰী মোদীয়ে কয় যে, কেইবাবছৰৰ প্ৰশিক্ষণ আৰু অধ্যাৱসায়ৰ বাবে এই দৰ্শনীয় প্ৰদৰ্শন সম্ভৱ হৈছে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে মহিলাৰ ৮০০ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰাৰ বাবে হৰমিলন বেইনছ আৰু পুৰুষৰ ৫০০০ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰাৰ বাবে অৱিনাশক অভিনন্দন জনায়। শ্ৰী মোদীয়ে মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাত ৰূপৰ পদক অৰ্জন কৰাৰ বাবে লাভলীনা বৰগোহাঁইকো অভিনন্দন জনায়।

০০০০

০০০০০

**ঃ সমাপ্ত ঃ**